**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 20-05-2026 **Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৰৱে, ছুইডেন আৰু নেডাৰেলণ্ডছ আৰু সংযুক্ত আৰব আমিৰীশ্বাহী ভ্ৰমণ সামৰি অন্তিম পৰ্যায়ত কালি ইটালিত উপস্থিত হৈছে।

২। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ সচিব মাৰ্ক ৰুবিঅ'ই অহা ২৩ মে'ত চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

৩। অহা ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল বাচনি কৰা হৈছে।

৪। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ অধ্যক্ষতাত নতুন দিল্লীত নীট-ইউজি পৰীক্ষা অনুষ্ঠিত কৰাৰ সন্দৰ্ভত কালি এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত জয়পুৰত কালি নিশা অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৰৱে, ছুইডেন, নেদাৰলেণ্ড আৰু সংযুক্ত আৰৱ আমিৰশ্বাহী ভ্ৰমণ সামৰি পাঁচখন দেশৰ ভ্ৰমণ কাৰ্যসূচীৰ পঞ্চম তথা অন্তিম পৰ্যায়ত কালি ইটালীত উপস্থিত হৈছে । ইটালীৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা মন্ত্ৰী এণ্টনিঅ' তাজানীয়ে বিমানবন্দৰত শ্ৰী মোডীক আদৰণি জনায়। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নি আৰু ৰাষ্ট্ৰপতি চাৰ্জিঅ' মাটাৰেলাৰ সৈতে আলোচনাত মিলিত হ'ব। নেতাদুগৰাকীৰ সৈতে তেওঁ ভাৰত-ইটালীৰ সহযোগিতা বৃদ্ধিৰ উপায় অন্বেষণ কৰাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী মোডীৰ এই ভ্ৰমণৰ জৰিয়তে ভাৰত-ইটালীৰ সহযোগিতা কেনেকৈ বৃদ্ধি কৰিব পাৰি, বিশেষকৈ ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিডৰ আই এম ই চিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। ভ্ৰমণকালত যৌথ কৌশলগত কাৰ্য্য পৰিকল্পনা ২০২৫-২০২৯ৰো পৰ্যালোচনা কৰা হ'ব। শ্ৰী মোদীয়ে খাদ্য আৰু কৃষি সংস্থাৰ মুখ্য কাৰ্যালয় পৰিদৰ্শন কৰি বিশ্ব খাদ্য সুৰক্ষাৰ প্ৰতি ভাৰতৰ দায়বদ্ধতা শক্তিশালী কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে ভাৰত আৰু ইটালীৰ মাজত দীৰ্ঘদিনীয়া আৰু বহুমুখী অংশীদাৰিত্ব আছে। এই ভ্ৰমণে ভাৰত-ইটালীৰ অংশীদাৰিত্বক নতুন গতি প্ৰদান কৰিবলৈ সাজু হৈছে। ইয়াৰ পূৰ্বে ২০২৪ চনৰ জুন মাহত G-7 শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে ইটালী ভ্ৰমণ কৰিছিল । ৰোমত উপস্থিত হোৱাৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকী নৰৱেৰ অছলোত উপস্থিত হৈ তৃতীয় ভাৰত-নৰ্ডিক সন্মিলনত অংশগ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে অছলোত ডেনমাৰ্কৰ অস্থায়ী প্ৰধানমন্ত্ৰী মেটে

ফ্ৰেডৰিকছেনক সাক্ষাৎ কৰি দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা কৰে আৰু যৌথ কাৰ্যসূচীত লাভ কৰা অগ্ৰগতিৰ ওপৰত সন্তুষ্টি প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই ভাৰত-ডেনমাৰ্ক সেউজ কৌশলগত অংশীদাৰিত্বত হোৱা অগ্ৰগতিসমূহক আদৰণি জনায় যিয়ে পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত সহযোগিতাক অগ্ৰাধিকাৰ দিয়ে আৰু দুয়োখন দেশত সেউজ পৰিৱৰ্তনত সহায় কৰাৰ বাবে প্ৰচেষ্টা একত্ৰিত কৰে। ২০২০ চনত সেউজ কৌশলগত অংশীদাৰিত্ব আৰম্ভ হোৱাৰ পাছৰে পৰা দুয়োখন দেশৰ মাজত নিয়মীয়া উচ্চ পৰ্যায়ৰ আদান-প্ৰদানৰ কথা স্মৰণ কৰি নেতাদ্বয়ে নতুন আৰু উদীয়মান প্ৰযুক্তি, যোগাযোগ, উন্নত গৱেষণা, ষ্টাৰ্ট-আপ আৰু শৈক্ষিক বিনিময়ৰ ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ সিদ্ধান্ত লয়। তেওঁলোকে প্ৰতিৰক্ষা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়েও আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্যপদৰ বাবে ডেনমাৰ্কৰ চলিত কাৰ্যকালৰ সফলতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ সচিব মাৰ্ক ৰুবিঅ'ই অহা ২৩ মে'ত চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এয়া হ'ব তেওঁৰ প্ৰথমটো ভাৰত ভ্ৰমণ। আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ৰাজ্যিক বিভাগে জনোৱা অনুসৰি ৰুবিঅ'ই ২৩ মে'ৰ পৰা ২৬ মে'লৈকে কলকাতা, আগ্ৰা, জয়পুৰ আৰু নতুন দিল্লী ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়চোৱাত ভাৰতৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে বাণিজ্য, প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত আলোচনাত মিলিত হ'ব।

ইফালে নতুন দিল্লীত থকাত আমেৰিকা দূতাবাসে কয়,যে ভাৰতে অষ্ট্ৰেলিয়া, জাপান আৰু আমেৰিকাকে ধৰি কোৱাড গোটৰ বৈদেশিক মন্ত্ৰীসকলৰ বৈঠকো অনুষ্ঠিত কৰিব, য'ত মাৰ্ক ৰুবিঅ'ই অংশগ্ৰহণ কৰিব। অহা ২৬ মে'ত অনুষ্ঠিত হ'বলগীয়া এই বৈঠকত ভাৰতীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সভাপতিত্ব কৰিব। বৈঠকত অষ্ট্ৰেলিয়াৰ বৈদেশিক মন্ত্ৰী পেনি ৱাং আৰু জাপানৰ বৈদেশিক মন্ত্ৰী মোতেগি তোছিমিতচু অংশগ্ৰহণ কৰাৰ কথা আছে।

০০০০০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি নতুন দিল্লীত আমেৰিকাৰ নিউক্লিয়াৰ এনাৰ্জি ইনষ্টিটিউটৰ লগতে দেশখনৰ আগশাৰীৰ পাৰমাণৱিক উদ্যোগৰ প্ৰতিনিধিসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে বৈঠকত ছাষ্টেইনেব'ল হাৰ্নেছিং এণ্ড এডভান্সমেণ্ট অৱ নিউক্লিয়াৰ এনাৰ্জি ফৰ ট্ৰান্সফৰ্মিং ইণ্ডিয়া আইন সন্দৰ্ভত বিশেষভাৱে আলোকপাত কৰা হয়। তেওঁ লগতে কয়, যে এই আইনখনে ভাৰতৰ স্বচ্ছ শক্তি পৰিৱৰ্তন অধিক খৰতকীয়া কৰাৰ লগতে প্ৰযুক্তিগত অংশীদাৰিত্ব অধিক গভীৰ কৰিব। এই আলোচনাই ভাৰতৰ পাৰমাণৱিক শক্তি ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি কৰিব বুলিও বাৰ্তাটোত বিত্তমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। ভাৰতৰ পাৰমাণৱিক খণ্ডত গোলকীয় অংশগ্ৰহণক উৎসাহিত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা শেহতীয়া পদক্ষেপসমূহৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে পাৰমাণৱিক বিদ্যুৎ প্ৰকল্পসমূহত ভাৰতে এতিয়া ৪৯ শতাংশ পৰ্যন্ত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি দিছে বুলি প্ৰতিনিধি দলটোক অৱগত কৰে। প্ৰযুক্তি সহযোগিতা আৰু কৌশলগত অংশীদাৰিত্বই ভাৰতৰ পাৰমাণৱিক পৰিৱেশ তন্ত্ৰত উদ্ভাৱন আৰু স্থিতিস্থাপকতাত উৎসাহিত কৰিব বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০০০

নতুন দিল্লীত নীট-ইউজি পৰীক্ষা অনুষ্ঠিত কৰাৰ সন্দৰ্ভত  কালি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। শ্ৰীপ্ৰধানে পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বচ্ছতাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। তেওঁ কয়, যে পূৰ্বতে ধৰা পৰা সকলো বিসংগতি সম্পূৰ্ণৰূপে নিৰ্মূল কৰি এইবাৰ পৰীক্ষা অনুষ্ঠিত কৰিব লাগিব। পৰীক্ষা কেন্দ্ৰসমূহত সুৰক্ষাৰ সকলো নীতি-নিয়ম সঠিকভাৱে পালন কৰা আৰু পৰীক্ষাৰ সময়ত সূক্ষ্ম নিৰীক্ষণ পদ্ধতি অৱলম্বন কৰাৰ লগতে সম্পূৰ্ণ পৰীক্ষা ব্যৱস্থাটো সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষকসকলক অধিক তৎপৰ হ'বলৈও তেওঁ নিৰ্দেশ দিয়ে।

oooooooo

দিল্লীৰ প্ৰধানমন্ত্ৰী সংগ্ৰহালয়ত আজিৰেপৰা দৰ্শনাৰ্থীৰ বাবে  কৃত্ৰিম বুদ্ধিমত্তাৰে চালিত মহাত্মা গান্ধীৰ হাইপাৰ ৰিয়েলিষ্টিক থ্ৰীডি  ৰবট মুকলি কৰা হ'ব। এই অত্যাধুনিক প্ৰযুক্তিৰ জৰিয়তে দৰ্শনাৰ্থীয়ে গান্ধীৰ সৈতে বাৰ্তালাপ কৰাৰ এক অনন্য সুবিধা লাভ কৰিব। প্ৰধানমন্ত্ৰী সংগ্ৰহালয়ৰ এগৰাকী বিষয়াই কয়, যে দৰ্শনাৰ্থীৰ সন্তুষ্টিৰ বাবে সংগ্ৰহালয়টোৱে এই প্ৰযুক্তিৰ ব্যৱহাৰ কৰিছে। এইটো হ'ব সংগ্ৰহালয়টোৰ তৃতীয়টো এ আই চালিত ইণ্টাৰেক্টিভ হ'ল' বক্স।

ইয়াৰ পূৰ্বে সংগ্ৰহালয়টোত চৰ্দাৰ বল্লভভাই পেটেল আৰু প্ৰাক্তন সভাপতি এ পি জে আব্দুল কালামৰ এ আই চালিত হ'ল' বক্স মুকলি কৰা হৈছিল।

oooooooo

উত্তৰ প্ৰদেশত প্ৰতিদিনে উষ্ণতাই অভিলেখ ভংগ কৰিছে।ৰাজ্যখনৰ বুণ্ডেলখণ্ড অঞ্চলৰ বাণ্ডা জিলাত একেৰাহে তৃতীয় দিনাও দেশৰ ভিতৰতে সৰ্বোচ্চ উষ্ণতা ৪৮.২ ডিগ্ৰী চেলচিয়াচ হোৱা পৰিলক্ষিত হয়। ৰাজ্যখনৰ আন আন অঞ্চলসমূহতো উষ্ণতা ৪৪ৰ পৰা ৪৭ ডিগ্ৰীৰ ভিতৰত দেখিবলৈ পোৱা যায়। নিশাৰ ভাগতো অস্বাভাৱিক উষ্ণতাই অভিলেখ ভংগ কৰিছে। ৰাজ্যখনত অহা দুদিন ধৰি ভয়াৱহ গৰমৰ ঢৌৰ সন্দৰ্ভত বতৰ বিজ্ঞান বিভাগে ৰেড এলাৰ্ট জাৰি  কৰিছে।

oooooooo

অহা ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল বাচনি কৰা হৈছে। কালি গুৱাহাটীত অনুষ্ঠিত বি চি চি আইৰ এখন বৈঠকত এই দল দুটা বাচনি কৰা হয়। গুৱাহাটীৰ অসম ক্ৰিকেট সন্থাৰ কাৰ্যালয়ত বি চি চি আইৰ সচিব দেৱজিৎ লন শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকৰ পাছত বি চি চি আইয়ে বিশেষ লিংকৰ জৰিয়তে বাচনিপ্ৰাপ্ত ভাৰতীয় দলৰ তালিকা প্ৰকাশ কৰে। এই অনুসৰি আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া টেষ্ট শৃংখলাৰ বাবে শুভমনগীলক অধিনায়ক আৰু  কে এল ৰাহুলক উপ অধিনায়ক হিচাপে লৈ ১৫ জনীয়া খেলুৱৈ তালিকা প্ৰকাশ কৰা হৈছে। একেদৰে শুভমন গীলক অধিনায়ক আৰু শ্ৰেয়াছ আয়াৰক উপ অধিনায়ক হিচাপে লৈ এদিনীয়া দলটো ঘোষণা কৰা হৈছে। আফগানিস্তানৰ বিৰুদ্ধে ভাৰতীয় দলটোৱে এখন টেষ্ট মেচ আৰু তিনিখন এদিনীয়া মেচ খেলিব।

ooooooo

ন'ৰৱেৰ ৰাজধানী অচল'ত কালি তৃতীয় ভাৰত-নৰ্ডিক শীৰ্ষ সন্মিলন অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে ন'ৰৱে, ছুইডেন, আইচলেণ্ড, ফিনলেণ্ড আৰু ডেনমাৰ্কৰ প্ৰধানমন্ত্ৰীসকলে এই সন্মিলনত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ২০২২ চনত ডেনমাৰ্কৰ কোপেনহেগেনত অনুষ্ঠিত সন্মিলনৰ পাছত ভাৰত

আৰু নৰ্ডিক ৰাষ্ট্ৰসমূহৰ মাজত ক্ষেত্ৰীয় সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে এই সন্মিলন অনুষ্ঠিত হয়। এইবাৰৰ এই সন্মিলনত প্ৰযুক্তি আৰু উদ্ভাৱন, বহনক্ষমতা, নৱীকৰণযোগ্য শক্তি আৰু ডিজিটাইজেচন আদি খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। উল্লেখযোগ্য যে নৰ্ডিক অঞ্চলসমূহৰ সৈতে ভাৰত দ্বিপাক্ষিক বাণিজ্য বৰ্তমান প্ৰায় ১৯ বিলিয়ন ডলাৰলৈ উন্নীত হৈছে। এই সন্মিলনৰ জৰিয়তে ভাৰত আৰু নৰ্ডিক ৰাষ্ট্ৰসমূহৰ মাজত বহুপাক্ষিক সহযোগিতা অধিক সম্প্ৰসাৰণ কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনাৰ সুযোগ প্ৰদান কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ নাগৰিকসকলক বিদেশী ভ্ৰমণ বাচি লোৱাৰ পৰিৱৰ্তে দেশৰ ভিতৰতে ভ্ৰমণ কৰিবলৈ জনোৱা আহ্বানক হোটেল এছ'চিয়েছন অৱ ইণ্ডিয়াই আদৰণি জনাইছে। উদ্যোগ সংস্থাটোৱে কয়, যে প্ৰধানমন্ত্ৰীৰ এই পদক্ষেপে ঘৰুৱা পৰ্যটনক উন্নীত কৰিব আৰু বিদেশ ভ্ৰমণৰ প্ৰৱণতাৰ পৰিৱৰ্তন কৰি নিজৰ দেশতে কৰা ভ্ৰমণে ভাৰতৰ স্থিতি শক্তিশালী কৰিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগীতাত জয়পুৰত অনুষ্ঠিত এখন খেলত যোৱা নিশা ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৭ উইকেটত পৰাস্ত কৰে।খেলখনত ৰাজস্থান ৰয়েলছে ৫টা বল আৰু ৭টা উইকেট বাকী থকা অৱস্থাত ২২১ ৰানৰ বৃহৎ লক্ষ্য অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। খেলখনত বৈভৱ সূৰ্য্যবংশীয়ে মাত্ৰ ৩৮টা বলত ৯৩ ৰান কৰে। খেলখনত ধ্ৰুৱ জুৰেলে ৫৩ ৰান সংগ্ৰহ কৰাৰ লগতে অধিনায়ক যশস্বী জয়ছৱালে ৪৩ ৰান সংগ্ৰহ কৰে। বৈভৱ সূৰ্য্যবংশীক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ পোৱাৰ পিছত লক্ষ্ণৌ ছুপাৰ জায়েন্টছে নিৰ্দিষ্ট ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২২০ ৰান সংগ্ৰহ কৰিছিল। দলটোৰ হৈ মাত্ৰ ৫৭টা বলত মিচেল মাৰ্ছে ৯৬ ৰান সংগ্ৰহ কৰে। জোছ ইংলিছে ৬০ ৰানৰ বৰঙণি আগবঢ়াই। ৰাজস্থান ৰয়েলছৰ হৈ যশ ৰাজ পঞ্জাই ২টা উইকেট দখল কৰে। ইতিমধ্যে প্লে অফৰ বাবে যোগ্যতা অৰ্জন কৰিছে ৰয়েল চেলেঞ্জাৰ বেংগালুৰু, গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদে। আজিৰ কলকাতাৰ ইডেন গাৰ্ডেনত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ০৭:৩০ বজাৰ পৰা আৰম্ভ হ'ব।

০০০০০০০

সমাপ্ত